1·2?

CLEAN.

# অঙ্কুৰ

301.23
Acc.

---

ৰচক আৰু প্ৰকাশক

শ্ৰীকৃষ্ণানন্দ গোস্বামী,

দশঘৰ সত্ৰ

নগাওঁ।

COTTON COLLEGE
LIBRARY.
Date 25 JAN 1930
GAUHATI.

প্ৰথম তাঙ্কৰণ।

---

১৮৪৯ শক।

৭৮/২৭

বেচ এসিকি।০

Printed by—S. K. Manna,

**at The Bholanath Printing Works,**

*21, Sukea Street, Calcutta.*

*301.23*

# উছৰ্গা।

---

এই ক্ষুদ্র কবিতা মালাধাৰী নগাওঁ গভৰ্ণমেণ্ট
হাইস্কুলৰ হেড্‌মাষ্টৰ শ্ৰীযুত ৰামেশ্বৰ বৰুৱা
বি-এ, বি-টি, মহাশয়ৰ কৰ কমলত,
অভাজন ছাত্ৰৰ আন্তৰিক ভক্তি
ও শ্ৰদ্ধাৰ চিন স্বৰূপে
অৰ্পণ কৰা হ'ল।

"ৰচক"

---

# ৰচকৰ নিবেদন।

ৰচক যেতিয়া হাইস্কুলৰ ২য় ও ৩য় শ্ৰেণীৰ ছাত্ৰ আছিল, তেতিয়াই কেইটিমান তলসৰা কবিতা ফুলৰ পাহী গোটাই এধাৰি মালা গাথি ৰাইজৰ আগত দাঙি ধৰিব বুলি ভাবিছিল। কিন্তু বহুতো অসুবিধাৰ কাৰণে ৰচকৰ সেই আশা আৰু পূৰ্ণ নহল। ইয়াৰ কেইবাটি কবিতাও নগাওঁ অ, ভা, উ, সভাত পাঠ কৰা।

আজি এই সুবিধা পাই, ছেগবুজি, মালাধাৰি অঙ্কুৰ নামেৰে ৰাইজৰ আগত দাঙি ধৰিছে। এই খিনিতে যদি পাঠক পাঠিকা সকলে কয় বোলে "এদাক দেখি উঠিল গা, কেতুৰিয়ে বোলে মোকো খা", কিন্তু সেইটো তেখেত সকলৰ ভুল হব। কাৰণ ৰচকৰ উদ্দেশ্য এয়ে নহয় যে ৰচকে কিতাপ লিখি অসমীয়া সাহিত্য ভৰাল চহকী কৰিব। কেৱল ছাত্ৰ জীৱনৰ এটি চিন মাত্ৰ।

মোটতে, যদি এই সাহিত্য অঙ্কুৰটি এসময়ত এজোপা ডাঙৰ গছ হৈ অসমীয়া ৰাইজক ছাঁ দান দিব বুলি, সকলোৰে মৰমৰ চকুৰে চাই, হাতত তুলিলৈ ইয়াত লাগি থকা পোক পৰুৱা আদি গুচাই সাৰ

জাবৰ আদি দিয়ে, তেনেহলে ৰচকৰ আশা পূৰ্ণ হব বুলি ধৰিব পাৰিব।

সাহিত্য ক্ষেত্ৰত কিতাপ লিখা ৰচকৰ এইয়ে প্ৰথম উদ্যম। গতিকে ইয়াত অনেক ভুল যে হব পাৰে ই নিশ্চিত। আশা কৰোঁ। যেন গুণগ্ৰাহী পাঠক পাঠিকা সকলে নিজ গুণেই দোষ ক্ষমা কৰে।

অৱশেষত কবলগীয়া যে, এই সাহিত্য পুলিটিৰ কেইটিমান দোষ শুধৰাই দি, ছপা কৰিবলৈ উৎসাহ দিয়া, সেই সময়ৰ নগাওঁ গভৰ্ণমেণ্ট হাইস্কুলৰ হেড্-মাষ্টৰ ৺ কালিৰাম দত্ত বি-এ, বি-টি, মহাশয়লৈ অভাজন ছাত্ৰই আন্তৰিক শ্ৰদ্ধাৰে ভক্তিৰ শৰাই আগবঢ়াইছে। আৰু তাৰ পাচত, শ্ৰীযুত দৈবচন্দ্ৰ তালুকদাৰে এবাৰ চকু ফুৰাই চাই দিয়াত আৰু শ্ৰীযুত অপূৰ্ব্ব কুমাৰ ভূঞাই, ছপাৰ কামত অনেক সহায় কৰাত তেখেত সকলকো লিখকে অন্তৰেৰে শলাগ জনাইছে।

বৰঙাবাৰী
তেজপুৰ ;
১৮৪৯ শক।

ৰাইজৰ আশীৰ্ব্বাদ
ভিক্ষাৰী
—কৃষ্ণ—

# সূচী।


| | |
|---|---|
| প্ৰাৰ্থনা | ১ |
| বন্দনা | ৪ |
| বশিষ্ঠাশ্ৰম | ৭ |
| ফুল | ৯ |
| বসন্ত | ১৩ |
| মহাপুৰুষ ৺শ্ৰীশ্ৰীশঙ্কৰ দেৱ | ১৮ |
| সতী জয়মতী | ২৯ |
| তপস্বী | ৩১ |
| বিশ্ব | ৩৫ |
| সঙ্গী জীৱনৰ | ৪২ |
| আকুল পথিক | ৪৭ |
| আমি ভাৰত মাতাৰ শিক্ষিত সন্তান | ৫১ |
| (তুমি) কোননো আছিলা মোৰ | ৬০ |
| কুলি | ৬৪ |
| সখি লৈ | ৬৯ |

# অঙ্কুৰ

—:*:—

## প্ৰাৰ্থনা।

প্ৰভু ভগৱন্ত          নাই আদি অন্ত
নিৰঞ্জন নিৰাকাৰ,
তুমি নিৰাময়          সততে সদয়
নাই অন্ত মহিমাৰ।

বিচিত্ৰ সংসাৰে          আতমা ৰূপেৰে
বিৰাজি সবাৰো প্ৰাণে,
কত চলনাতে          খেলন খেলিছা
অশেষ কৰুণা দানে।

অঙ্কুৰ।

প্ৰণয় ডোলেৰে বান্ধি নিৰন্তৰে
ৰাখিছা মিলন কৰি,
ধনী-দুখী আদি সবাকো পালিছা
তুমি ন্যায়-দণ্ড ধৰি।

হে দয়াময়! তোমাত বিনাই
নাই সংসাৰৰ গতি,
কিনো নৈবেদ্যাদি গোটাই আহুতি
পূজিম চৰণ দুটি।

ভকতি ভাণ্ডাৰ নাই হৃদয়ৰ
নুবুজো তোমাৰ স্তুতি,
ধুপ, দ্বিপ, জ্বালি, নানাবিধ বলি,
নাজানো তাকো দুৰ্ম্মতি।

## অঙ্কুৰ।

নাই ধন জন দুখীয়া পৰাণ
জন্মিল দুখীয়া হই,
দুখৰ বোজাকে বইছোঁ সততে
নিয়তি পথত ৰই।

অনন্ত কালৰ অনন্ত ধামৰ
নাজানো কৰ্ত্তব্যকাম,
ভব নাটকৰ নতুৱা সাজিলোঁ
নিচিনো তোমাৰ নাম।

অজ্ঞান আন্ধাৰ গুচাই মনৰ
দিয়া পদ তলে বাস,
সপোনে সচিতে উঠোতে বহোঁতে
তাকেহে কৰিছোঁ আশ।

১৯২৩
নগাওঁ (বডিং)

# বন্দনা।

ভকতি-আঁজলি যাচিছোঁ হে প্ৰভু
লই এই পুষ্প হাৰ,
অবোধ সন্তানে প্ৰবোধ নামানে
কৰা দৃষ্টি কৰুণাৰ।

দুঃখীয়াৰ বুলি নিঘিনিবা প্ৰভু
মাতিছোঁ বন্দনা গানে,
আকুল হৃদয় পুলকিত কৰা
তোমাৰ অ'শীষ দানে।

তোমাৰে গৰীমা গাইছে পথীয়ে
নদ, নদী, বসুন্ধৰা,
তোমাৰ আশীষ পাইছে সবেও
বিশ্ব পুলকিত কৰা।

## অঙ্কুৰ।

তোমাতে জনম তোমাতে মৰণ
তোমাৰেই দিন ৰাতি,
মায়াৰ সংসাৰ মায়াতে মজিছে
লুকাল জ্ঞানৰ ভাঁতি।

মায়াময় মেঘে হৃদয় ঢাকিলে
একোকে নেদেখা হলোঁ,
গন্তব্য পথত খলা বমা দেখি
কৰ্ত্তব্য পাহৰি গলোঁ।

কালৰ সোঁতৰ প্ৰখৰ বেগত
জীৱন উন্মাদ হল,
নিয়তি হাতত প্ৰাণ সমৰ্পিছোঁ
কাললৈ কুখ্যাতি ৰল।

## অঙ্কুৰ।

নৈবেদ্য বিহীন আজোখা শৰাই
ধৰিছোঁ চৰণে পৰি,
অজ্ঞান আন্ধাৰ গুচাই মনৰ
দিয়া আগুৱান কৰি।

জ্ঞানৰ শলাৰে হৃদয় জ্বলোৱা
পুৰুৱা মনৰ কাম,
সুখে দুখে যেন কদাপি নুভুলোঁ
মুখত তোমাৰ নাম।

১৯২৩
নগাওঁ (বোৰ্ডিং)

# বশিষ্ঠাশ্ৰম।

প্ৰকৃতিৰ লীলাভূমি—
কবিৰ কল্পনা পুৰি
সৌন্দৰ্য্যৰ এই মহা থান,
পথ শ্ৰান্ত পথিকৰ
জিৰণিৰো এই ঠাই
নিতে গীত গাই সমিৰণ।

সন্ধ্যা, ললিতা, কান্তা,
তিনিজনি বাই ভনী,
নিজানৰ পৰ্ব্বত জীৱৰী,
কুলু কুলু সুৰ ধৰি
অহৰহ বই আছে—
মুনিবৰ উদ্দেশ্য স্মৰঁৰী।

অঙ্কুৰ।

দ্বাৰত প্ৰবেশ হ'লে
মনে হয় এয়ে যেন
সৰগৰ নন্দন কানন,
নিতে নিতে আহি আহি
নানান বিনোদ ৰসে
কেলি কৰে দেৱ দিব্যাঙ্গন।

ধ্যান মগ্ন মহামুনি
কৰ্ত্তব্য সাধন হেতু
শিলাৰূপে ভূমিত শয়ন
আশীষ বাণীৰ আশে
ভক্তি পূৰ্ণ অৰ্ঘ্য লই
পুষ্পাঞ্জলি দিয়ে যাত্ৰীগন।

অসম গৌৰব স্মৃতি
কেনে দৰে উজ্জলিছে
মুনিবৰ এই তপোবন,

অঙ্কুৰ।

আহাহে পথিক জন
চোঁৱাহি এবাৰ ৰই
চাই চাই জুৰুৱা নয়ন।

১৯২৪
(গুৱাহাটি)

---

## ফুল।*

আছিলা এদিন নিকুঞ্জ বনত
নবীন প্ৰতিভা লই,
তৰুণ লাবণ্য মন মোহা ৰূপে
ফুলনী শোভিত হই।

---

* নগাওঁ অ, ভা, উ, সা, ত—পাঠকৰা।

অঙ্কুৰ।

বসন্ত আহিলে জক্ মক্ কৰি
সৌৰভ সফুৰা মেলি,
গুপুত ভাবেৰে জনোৱা প্ৰকৃতি
হিয়াৰ আবেগ খুলি।

নওঠা গছৰ দিব্য আভৰণ
তুমি হে হিয়াৰ মাজে,
দেখিলে দূৰত বিৰহী জনক
মুচ্ কচ্ যোৱা লাজে।

তুমি প্ৰকৃতিৰ প্ৰণয় চাণেকী
পবিত্ৰ হিয়াৰ মাজে,
শান্তিৰ সুষমা একমাত্ৰ আনি—
নেদেখি তোমাত বাজে।

অঙ্কুৰ।

সুৰগী বিহগী ডালে ডালে পৰি
সুললিত গীতি গাই,
সঙ্গীতৰ চেৱে হালি জালি নাচা
হিয়াতলি উদঙ্গাই

ধীৰ সমিৰণ ধীৰে ধয়বীৰে।
তোমাৰে সৌৰভ লই,
তাপিত প্ৰাণত শান্তনা বিলাই
বিৰহীক দিয়ে গই।

পুৱতি নিশাতে শীতল জ্বলেৰে
নিয়ৰ বাইটী দেহি,
কোমল দেহাটি ধুৱাই যতনে
কেনে তলকত আহি !

অঙ্কুৰ।

কোমল হিয়াত নোৱাৰা সহিব
অলপো কঠিন ভাৰ,
বতাহৰ বাতে আলশুৱা দেহ
তেনে হয় চুৰমাৰ।

"দেবি !"
আজি কিয় হায়, এনে শৰীৰৰ
দেখো মাটিত শয়ন,—
আছিলা এদিন সকলো জনৰ
জীৱন অমূল্য ধন।

যাৰ আশ্ৰয়ত জনমৰ পৰা
ডাঙৰ দীঘল হলা,
সেই জননীয়ে নামাতে তুলাই
পাহৰি তোমাৰ লীলা।

অঙ্কুৰ।

জীৱন বেলিটি লাহে লাহে ডুবি
পৰিল সন্ধ্যা বেলাত,
স্মৃতি মাত্র ৰল নশ্বৰ দেহাৰ
(শেষ) আজি কালৰ গৰ্ভত।

১৯২৩
নগাওঁ (বৰ্ডিং)

---

## বসন্ত।*

আজি সন্ধ্যাকালে নব অনুৰাগে
শুৱনী প্রকৃতি দেবী,
দেখিলেই মন জুৰ পৰি যায়
নতুন ভাবনা ভাবি।

---

* নগাওঁ অ, ভা, উ, সা, ত পাঠ কৰা।

## অঙ্কুৰ।

অতি সুকোমল নবীন প্ৰাণত
সেউজীয়া আভৰণে,
ধীৰ মলয়াত লাহে লাহে নাচে
গিৰি গুহা উপবনে।

প্ৰতি গছে গছে লতাই লতাই
দুটি প্ৰাণ মিলি মিলি,
ইজুপি সিজুপি অন্তৰৰ ভাব
কয় মনে মনে খুলি।

টগৰ, মালতী, কেতেকি, বকুল,
গুলচ, খৰিকা জাঁই,
ৰাশি ৰাশি ফুল ফুটিছে বনত
নবীন প্ৰতিভা পাই।

## অঙ্কুৰ।

অতি আনন্দেৰে মনৰ হেপাঁহে
নবীন মাধুৰী খেলে,
প্ৰেম আলিঙ্গন কৰিছে ধৰাক
শ্যামল বনৰ তলে।

এনে নিজানত বিহগ বিহগী
প্ৰেমৰ লহৰী তুলি,
প্ৰেমিক মিলন পঞ্চমে পূৰবে
ধীৰ বতাহত মিলি।

সৌৰভে মুহিছে নিজান কানন
কেনেনো সুগন্ধ আজি,
প্ৰকৃতি ৰাজ্যত ৰং বিহৰিছে
দিব্য আভৰণে সাজি।

অঙ্কুৰ।

সৰলা সুন্দৰী বইছে তটিনী
কুলু কুলু গীতি গাই,
আবেগ সুৰত অবলা হৰিণী
তধা লাগি লাগি চাই।

অকল শৰীয়া সন্ধিয়া তৰাটি
নীল আকাশৰ মাজে,
মোহন মুৰুতি বিৰাজ কৰিছে
সদায় একেটি সাজে।

কেনেনো তৰুণ লাবণ্য মুৰুতি
ধৰিছে জনম ভূমি,
শোকত আকুল তাপিতৰ হিয়া
দেখিলেই যাই পমি।

## অঙ্কুৰ।

ৰূপালী জেউতি   সোনোৱালী হাঁহি
মুখত মাধুৰী পৰা,
গলত নীলিমা   মাণিকৰ হাৰ
আজি কিযে বসুন্ধৰা!

কেনে অপৰূপ   প্ৰকৃতিৰ শোভা
কেনেনো সুখৰ দিন,
জনম ভূমিৰ   হিয়াৰ মাজত
বাজিছে মধুৰ বীণ।

১৯২৩
নগাওঁ (বোৰ্ডিং)

---

## মহাপুৰুষ ৺শ্ৰীশ্ৰীশঙ্কৰ দেৱ।*

নিকুঞ্জ কাননত জিলিকি পৰিছে
যত আছে তৰু ৰাজি,
অসম মাতৃও জিলিকি পৰিছে
শঙ্কৰ নামেৰে আজি।

দুখুনী মাতৃৰ পবিত্ৰ গৰ্ভৰ
তুমি হে সুপুত্ৰ ধন,
কালৰ সোঁতত অহা যোৱা কৰি
ভৰিছে হৃদয় খন।

---

* ১৯২৩ চনত ভাদমহীয়া তিথিৰ দিনা—নগাওঁ অ, ভা, উ, সা, সভাত পাঠ কৰা।

## অঙ্কুৰ।

সাহিত্য বনৰ ফুল তুলি তুলি
করণি ভৰাই লই,
ভাষাৰ উন্নতি দেশৰ উন্নতি
সাধিলা সুনীতি থই।

কবিতা ফুলৰ ৰাশি ৰাশি মালা
কেনেনো তালত তুলি,
অসমীয়া জাতিক জাতিয়ত্ব দিলা
নির্ব্বাণ প্রদীপ জ্বালি।

ঘোৰ আন্ধাৰত পথহাৰা হই
শুই থকা জাতি ভাই,
উন্নতি সাধন কৰিব লাগিছে
তযু জ্ঞানামৃত পাই।

## অঙ্কুৰ।

সকলো হিয়াত শান্তিৰ সুষমা
এচাতি এচাতি পৰি,
অজ্ঞান আন্ধাৰ গুচাই মনৰ
পেলালে পোহৰ কৰি।

এনে নিৰমল ধৰ্ম্মৰ সোঁতত
এবাৰ জোবোৰা মাৰি,
কোনেও কদাপি নোৱাৰে ভুলিব
নোৱাৰে এৰিব শাৰী।

তথাপি ধৰমৰ কেনেনো মোহিনী,
কেনেনো আকর্ষ শক্তি,
এলাহত থকা মেলেচ হঁতেও
কৰিলে অশেষ ভক্তি।

## অঙ্কুৰ।

অসম বাসীৰ        হিন্দু সমাজত
তোমাৰে সাহিত্য সাৰ,
প্ৰতি প্ৰাণে প্ৰাণে        কুলু কুলু কৰি
বইছে অমিয়া ধাৰ।

কেনেনো ভাষাৰ   কেনেনো লালিত্য
কেনেনো সুৰলা টান,
কেনেনো ফুলৰ        কেনেনো চুপহী
কেনেনো মধুৰ ঘ্ৰাণ।

সত্যৰ লগত        পুণ্যৰ ৰথেৰে
ধৰম সাৰথি লই,
কৰম ক্ষেত্ৰত        সুখ্যাতি লভিলা
কাললৈ গৌৰব থই।

অঙ্কুৰ।

মেলেচ জাতিক দীক্ষিত কৰিলা
বান্ধিলা একতা ডোলে,
ধৰম যুঁজত আগবাঢ়ি গই
স্বৰগ অমিয়া পিলে।

দশম কীৰ্ত্তন, গীতা ৰত্নাৱলী,
তোমাৰে লক্ষৰ বল,
ইয়াৰ বলতে জয়লাভ কৰি
কৰিলা সবাকো তল।

এটি দুটি কৰি গোটেই জাতিটো
তোমাকে পাবলৈ গ'ল,
চুকে কাণে ক'তো এটিও নৰল
কামনা পুৰণ হ'ল।

## অঙ্কুৰ ।

জন্মিছে কতনো মৰিছে কতনো
এই অসমৰ মাজে,
মাতৃৰ গৌৰব উজ্জ্বল কৰিছে
তোমাৰ পবিত্ৰ কাযে ।

কালৰ সোঁতত কত যুগ গ'ল
নৰল একোৰে চিন,
একেটি পুত্ৰৰ একেটি নামত
জ্বলিছে একেটি দিন ।

আকাশী লোকত শশীৰ গৌৰব
তাৰকা মণ্ডল মাজে,
আমাৰ ইয়াটো একেটি জ্বলিছে
স্বদেশ প্ৰেমৰ কাযে ।

"দেৱ!"

আকাশে পাতালে স্বৰগত আজি
ঘুষিছে তোমাৰ নাম,
অবুজা ভাষাৰে কত মিনতিৰে
সাধিছে তোমাৰ কাম।

স্বৰগ অমিয়া মৰতত আনি
জীৱন পবিত্ৰ কৰি,
মুক্তিৰ পথৰ ভিখাৰী কৰিলা
পিয়ালা পৰাণ ভৰি।

তযু চৰণৰ পবিত্ৰ ধূলাই
জগত পবিত্ৰ কৰি,
পুলকিত প্ৰাণে আকুল কৰিলে
দিয়ালে সত্যত ভৰি।

তযু সমকক্ষ ৰাম সৰস্বতী,
মাধৱ, গোপাল দেউ,
আছিল সকলো শক্তি উপাসক
নামানে তোমাৰ সেউ।

কালৰ সোঁতত সকলোটি আহি
তোমাতে দীক্ষিত হল,
তযু চৰণত প্ৰাণ বিসৰ্জ্জিলে
অমৰ কীৰিতি ৰ'ল।

হে মহাভাগ! অপূৰ্ব্ব সুৰত
কতনো ৰচিলা গীত,
তোমাৰ গীতৰ অপূৰ্ব্ব সুৰত
কৰিছে আকুল চিত।

## অঙ্কুৰ ।

আজিও বইছে অমিয়াৰ ধাৰা  
সাধিছে তোমাৰ কাম,  
নিষ্কাম ভকতি পূৰণ কৰিলৈ  
চলিছে বৈকুণ্ঠ ধাম।

লীলা অভিনয় পলে পলে কৰি  
কৰ্ত্তব্য পথত গই,  
কাব্য সাগৰত অমৃত মথিলা  
এই ব্ৰহ্ম অস্ত্ৰ লই ।

নিস্বাৰ্থ ভাবৰ চানেকী এৰিথৈ  
মঙ্গল আকাঙ্ক্ষা কৰি,  
বৈষ্ণবী ধৰম প্ৰকাশ কৰিলা  
জীৱনৰ ব্ৰত ধৰি ।

## অঙ্কুৰ।

কত যে লাঞ্ছনা কত যে যাতনা
কত যে সহিলা তাপ,
তথাপিও ক'তো একো নযতিল
মাৰিলা কৰ্ত্তব্য জাপ্।

নিয়তি পথৰ পাৰ্থিব সুখত
নহয় তুলনা তাৰ,
কেনেনো ধৰম কেনেনো সুনীতি
নপৰে ইয়াৰ পাৰ।

চন্দ্ৰ দিবাকৰ বসুমতী আই
থাকে মানে জগতত,
যুগমীয়া হই গৌৰব প্ৰদীপ
জ্বলিব ই অসমত।

## অঙ্কুৰ।

নাজানো ভকতি নাজানো মিনতি
পূজাৰ সম্ভাৰো নাই,
নৈবেদ্য বিহীন সজোৱা শৰাই
দিমনো কেনেকৈ হাঁয়!

ভকতি আঁজলী ধৰিছোঁ চৰণে
তোমাৰ বন্দনা গান,
স্বৰগৰ পৰা আশীষ বচনে
দিয়া প্ৰভু সন্নিধান।

১৯২৩
নগাওঁ (বোৰ্ডিং)

# সতী জয়মতী।

নাৰীৰ আদৰ্শ ৰূপে জনমি ধৰাত
ধৰিলই মনক আঁকলি,
সতীৰ কৰ্ত্তব্য সাধি সুনাম ৰাখিলা
জীৱনৰ মহাব্ৰত পালি।

লাই-লেচাই দুটিক সমৰ্পি লোকক
মায়ামোহ কৰি পৰিহাৰ,
নিষ্ঠুৰ "লৰাৰ" শাস্তি বুকু পাতি লই
দেখুৱালা বীৰত্ব তোমাৰ।

সৌকাৰ কোবত পিঠি ফাটি ফাটি যায়
ৰুধিৰাক্ত গোটেই শৰীৰ,
তথাপি নিদিলা তুমি পতিৰ সন্ধান
দৃঢ়মন নহল অথিৰ।

অঙ্কুৰ।

পত্নীৰ যাতনা শুনি লাগি গদাপাণি
ছদ্ম বেশে হলহি সাক্ষাৎ,
স্বামীৰ চলনা বুজি কথাৰ ইঙ্গিতে
অন্তৰত জন্মালা ব্যাঘাট।

পতিৰ উদ্ধাৰ হেতু জীৱন উছৰ্গী
অকাতৰে কষ্ট সহ্য কৰি,
জনম ভূমিৰ পৰা বিদায় বাণীৰে
গলাগই নৰদেহা এৰি।

স্বৰগ জীৱৰী তুমি মৰতত আহি
আক' হলা স্বৰ্গত বিলীন,
তাৰকামণ্ডল মাজে পূণ্য শোভা ধৰি
জিলিকিছে সতীত্বৰ চিন।

অঙ্কুৰ।

দেবি!

গুণত পূজাৰ ৰীতি সত্যত আদৰ
থাকে মানে এই জগতত,
তোমাৰ সতীত্ব স্মৃতি জগাই নাৰীক
জিলিকিব অসম ধামত।

১৯২৪
নগাওঁ (বোর্ডিং)

---

## তপস্বী।

নিজান গুহাৰ মাজে পৰম পবিত্ৰ সাজে
মোহমায়া কৰি পৰিহাৰ,
পাতি লই কুশাসন কৰি আহা আৰাধন
বহি আছা তপস্বী কুমাৰ।

অঙ্কুৰ।

মোহন মুৰুতি ধ'ৰি    প্ৰতিভা উজ্জ্বল কৰি
জিলিকনি তোমাৰ মুখত,
তপস্বীৰ প্ৰেমৰস    বই আছে চাৰিকাষ
নাচে প্ৰাণ পূৰ্ণ আবেগত।

কৰুণাৰ পূণ্য ছবি    পুৱাৰ নবীন ৰবি
জিলিকিছে চমক লগাই,
সংসাৰ সুখৰ ধাৰ    নহয় তুলনা তাৰ
মন প্ৰান জুৰ পৰি যাই।

প্ৰকৃতিৰ কাম্যবন    ভুলি আছে ত্ৰিভুবন
কাঢ়ি নিছে তোমাৰো জীৱন,
প্ৰেমে প্ৰাণ মতলীয়া    আনন্দে নধৰে হিয়া
চাই চাই জুৰুৰা নয়ন।

## অঙ্কুৰ

প্ৰকৃতিৰ লীলা খেলা          চাই চাই মহামেলা
শান্তি দিছা পবিত্ৰ প্ৰাণত,
আনন্দে নধৰে হিয়া          দেখি ৰূপ বিনন্দিয়া
নাচে প্ৰাণ একেটি টানত।

কণ্ঠত অমিয়া লই          গগন বিহাৰী হই
নিতে গীত গাই পাখিগন,
তধা লাগি শুনি শুনি          বিভূৰ কৰম জানি
আৰাধিছা কৰি প্ৰাণপণ।

বজাই মৃদুল বাঁহী          আকাশতে হাঁহি হাঁহি
শান্তি দিছে নিতে সমীৰণ,
হৃদয় বীণাৰ টান          জুৰি লই সেই গান
চাই চাই জুৰোৱা নয়ন।

## অঙ্কুৰ

জগতৰ পশু-পখী তোমাৰেহে প্ৰিয় সখী
জীৱনৰো চিৰ লগৰীয়া,
সংসাৰৰ সুখ দুখ নাচাই এটিৰো মুখ
হই আছা মুকলি মূৰিয়া।

গিৰি গুহা উপবন ভৈয়ামৰ তপোবন
তোমাৰেহে সাধনাৰ ঠাই,
সংসাৰ সুখৰ ভূমি অকালতে এৰি তুমি
লই গলা মন আঁতৰাই।

মুক্তিৰ কামনা কৰি জীৱনত ব্ৰত ধৰি
ভাবি আছা এক মন হই,
প্ৰভুৰ আশীষ দানে যাবা তুমি সিকাৰণে
সিপুৰীৰ সেই থান লই।

দেব !

সংসাৰৰ এৰি দুখ লভিছা প্ৰকৃত সুখ

ধন্য তব আশাৰ কামনা,

ধন্য ! ধন্য !! তব নাম সাধিছা প্ৰকৃত কাম

ধন্য মাথো তোমাৰ বাসনা ।

১৯২৪

চেৰাপুঞ্জি ।

---

## বিশ্ব ।*

দিগন্ত প্ৰকাশে এই

ৰশ্মি আতপৰ,

বিমল শীতল নিশি

চন্দ্ৰিকা শশীৰ ।

---

* নগাওঁ অ, ভা, উ, সাত—পাঠ কৰা ।

## অঙ্কুৰ

শূন্যৰ কোলাত তৰা
জক্ মক্ কৰি,
থুল পাতি পাতি ফুৰে
লৰ ধৰি ধৰি।

সপোৰালী ৰেখা দৰে
বিজুলী বুকত,
তিৰবিৰ কৰি জ্বলে
মেঘৰ আঁৰত।

অবিৰাম বসুন্ধৰা
গ্ৰহৰ লগত,
একেৰাহে ঘূৰি আছে
আপোন কক্ষত।

## অঙ্কুৰ

প্ৰকৃতি দেবীৰ গলে
মাণিকৰ দৰে,
আলেখ জোনাকী শোভে
জক্ মক্ কৰে

পানী গছ ৰাজী শোভে
শ্বেত সাগৰত,
প্ৰবাহিনী বই আছে
প্ৰখৰ বেগত।

গছৰ ডালত পাৰি
প্ৰিয় বিহঙ্গিনী,
ললিত মধুৰ স্বৰে
আৰম্ভে ৰাগিনী।

## অঙ্কুৰ

শ্যামল পত্ৰেৰে শোভে
তৰুৰাজি যত,
বিকশিত পুষ্পে শোভে
কুঞ্জ কাননত।

বিনন্দিয়া পাখী মেলি
জক্ মক্ কৰি,
মৰা পখী ছালি ধৰে
মন প্ৰাণ হৰি।

কমল ফুলৰ কলি
বোকাৰ মাজত,
ৰূপালী আলোৰে জ্বলে
পাতৰ আঁৰত

## অঙ্কুৰ

অত জীৱ ভাৰ সহি
নাকান্দে ধৰণী,
সেন্দুৰীয়া ফোঁত লই
আহে উষাৰাণী।

কুঞ্জত বনৰ সৌৰভ
সফুঁৰাটি লই,
ৰিব্ ৰিব্ কৰি সদা
সমীৰণ্ বয়।

হৰিণিও মুগ্ধ হয়
দেখি মৰিচিকা,
চকোৰেও পিয়ে ৰাতি
অমল চন্দ্ৰিকা।

## অঙ্কুৰ

একে থৰে তথা লাগি
চাই থাকিলেও,
চকুৰ নপৰে ওৰ
জাগি উঠে চেও।

জানিছোঁ জানিছোঁ মই
সেই দয়াময়,
অনন্ত মহিমা যাৰ
দেখিছোঁ বিস্ময়।

তেওঁৰেহে এই দেখ!
অদ্ভুত নিৰ্ম্মাণ,
গুণি ভাবি থাকিলেহে
যাই পতিয়ন।

## অঙ্কুৰ

দেখিছোঁ সকলো প্ৰভু !
তোমাৰেহে চয়,
কালৰ সোঁতত পৰি
দেখোঁ মায়াময় ।

কৰিছোঁ অজ্ঞানে স্তুতি
( তযু ) চৰণ ধিয়াই,
দিয়া যেন সজ বুদ্ধি
হৃদয় ভৰাই ।

**১৯২৪**
**নগাওঁ** (বোৰ্ডিং)

---

# সঙ্গী জীৱনৰ।

( বন্ধু বিচ্ছেদত )

কিয় আজি হাঁয়  পৰাণ কান্দিছে
নীৰলৈ পাচলৈ চাই,
দুধাৰি চকুলো  সঘনে জৰিছে
শোকৰ মুকুলি বাই।

কিয় আজি হাঁয়  পৰাণ খনিয়ে
উচুপি উচুপি আছে,
শোকৰ কালিমা  মুখত ঘহিলৈ
সংসাৰ ক্ষেত্ৰত নাচে।

## অঙ্কুৰ

কিয় আজি হাঁয়                    চতুৰ্দ্দিশ মোৰ
আন্ধাৰ আন্ধাৰ লাগে,
কিবা কাৰণত                    চমকি চমকি
নিমিষে পৰাণ জাগে।

কিয় আজি হাঁয়                    হৃদয় বীনাত
নাবাজে মধুৰ টান,
নিতাল নিফুঁত                    ৰাগীনিত মাথোঁ
জুৰিছে শোকৰ গান।

কিয় আজি হাঁয়                    শীতল বতাহে
নোৱাৰে জুৰাব প্ৰাণ,
শোকৰ ধুমুহা                    অকস্মাত আহি
ভাঙিছে হৃদয় খান।

অঙ্কুৰ

কিয় আজি হাঁয় প্ৰকৃতিৰ শোভা
দেখিলে মনত মোৰ,
শোকৰ অনলে আগুৰি ধৰেহি
নপৰে ভাবৰ ওৰ।

কিয় আজি হাঁয় প্ৰকৃতিৰ গীতি
মনত নালাগে ভাল,
ঘনাই ঘনাই লুকাভুাক খেলি
চাপিছে নিৰ্দ্দয় কাল।

কিয় আজি হাঁয় কুপউ কুপতী
ইটিয়ে সিটিক এৰি,
কুউ কুউ কৰি কান্দিব লাগিছে
গছৰ ডালত পৰি।

## অঙ্কুৰ

কিয় আজি হাঁয় বাসন্তী কুলিৰ
কণ্ঠত অমিয়া নাই,
কেতেকী পখীৰ মাত হৰি গল
আবেগ বুজোতা নাই।

কিয় আজি হাঁয় বসন্তৰ ফুলে
গছক নেওছা দিলে,
কলিয়া ভোমোৰা পগলা কৰি থৈ
হিয়াৰ মাধুৰী নিলে।

কিয় আজি হাঁয় চিৰ লগৰীয়া
দূৰণি বটিয়া হ'ল,
মোৰ অন্তৰতো প্ৰণয় সফুঁৰা
পাহৰি এৰি থৈ গল।

## অঙ্কুৰ

কিয় আজি হাঁয় হিয়া মন্দিৰৰ
দুৱাৰ মুখত ৰই,
খিকিন্দালি পাতি নাইকীয়া হ'ল
একেটি কথাকে কই।

কিয় আজি হাঁয় সপোনত মই
শুনিলোঁ আকাশী বাণী,
মনত পৰিলে সন্তাপ শেলেৰে
ধৰেহি হৃদয় হানি।

কিয় আজি হাঁয় উদং উদং যেন
লাগিছে পৰাণ খনি।
করুণ সুৰেৰে হৃদয়ত দেখোঁ
উঠিলে শোকৰ ধ্বনি।

অঙ্কুৰ

সি স্মৃতি সপোন জাগিব লাগিছে
অনন্তৰ নিৰন্তৰ,
কান্দিব লাগিছে তাকে বুকে বান্ধি
কৰি সঙ্গী জীৱনৰ।

১৯২৪
(চেৰাপুঞ্জি)

---

## আকুল পথিক।

আজি—
গোটেই জগত ধুঁৱলী কুঁৱলী
নমনি কেনিও বাট,
সজাগ ধৰণী জয় পৰি গ'ল
হৰিল প্ৰকৃতি মাত।

## অঙ্কুৰ

জক্ মক্ কৰা ফুলনি দৰাৰ
লাগিছে ফুলত ধূলি,
উলতি গইছে লুভীয়া ভোমোৰা
সমিধান নাপাওঁ বুলি।

শুৱগী কুলিয়ে দেশ এৰি গ'ল
নুশুনি কেনিও টান,
বিৰহী কেতেকী পাচে পাচে গ'ল
শুনাই বিৰহ গান।

দূৰণিত দেখা পৰ্ব্বত পাহাৰে
তুকিছে চকুৰ পানী,
কুলু কুলু সুৰে আবেগ জনাই
শুনাই শোকৰ ধ্বনি।

## অঙ্কুৰ

নাই বিল খাল মৰুভূমি প্ৰায়
জ্বলিছে বুকত বালি,
ৰূপহী পদুম তাতে লয় হল
অন্তৰে গৰল ধালি।

পুৱাতে সূৰুয দেখাদি পলাল
নাই টিন দিন ৰাতি,
ৰূপহী জোনক ডাৱৰে ধাকিলে
সুমাল শীতল ভাতি।

মানৱী সজাৰ মাধুৰী হেৰাল
ময়না ওলাল বাজ,
এই জনমৰ এতিয়া খবৰ
টুটিল সংসাৰ কাজ।

# অঙ্কুৰ

সংসাৰী সুখত বন্দী হই থাকি
নিচিনিলা গুৰিয়াল,
সোৱঁৰাই দিলে খণ্ডৰ কোৱত
চপোৱা নিজৰ কাল।

ভৱ সাগৰৰ গুটিয়া নউকা
গুৰিত কান্দাৰী নাই,
লতং পতং কৰিছে ঢউত
খনে খনে পানী খাই।

চুৰ তাৰি কৰি পলাই আহি
পাপৰ এবোজা লই,
কানা মুনা লাগি উধাতু খাইছা
(কিয়) আকুল পথিক হই।

১৯২৪
ছিলচৰ।

---

## আমি ভাৰত মাতাৰ শিক্ষিত সন্তান ।*

আমাৰ পিতামহহঁত আছিল হোজা,
নজানে লিখিব
নজানে পঢ়িব,
কু সংস্কাৰৰ বোজাটি বান্ধি
আছিল সকলো
অসভ্য বৰ্ব্বৰ,
নাছিল জ্ঞান নাছিল মান ।
(কেবল) আমি ভাৰত মাতাৰ শিক্ষিত সন্তান ।

---

* নগাওঁ অ, ভা, উ, সাত—পাঠ কৰা ।

অঙ্কুৰ

আমি ইংৰাজী শিকি হইছোঁ পণ্ডিত,
নালাগে আমাক
আদিম সংস্কৃত,
নালাগে হিন্দি, নালাগে পার্চি,
আসামী ভাষাৰে
নোৱাৰি তৰিব,
(আমি তাঁলৈ) নিদিও কাণ নিদিও মন।
(কিয়নো) আমি ভাৰত মাতাৰ শিক্ষিত সন্তান।

আমি এম-এ, বি-এ, বি-এল, পাচ কৰি
হইছোঁ হাকিম,
হইছোঁ উকিল,
পিন্ধিছোঁ আমি চাহাবি সাজ,

অঙ্কুৰ

লাহত মাথোন
কেতিয়াবা পিন্ধো,
ফিৰ্ ফিৰিয়া ধুতি এখান।
(কাৰণ) আমি ভাৰত মাতাৰ শিক্ষিত সন্তান।

আমি ভৰিত লগাওঁ নানা তৰহৰ
ধুনীয়া বিলাতী
কেৰ্ কেৰ্ কৰা
অলেখ জোতা, অলেখ মুজা,
ফন্দালিছোঁ সদায়
ভেৰিয়া শেওঁতা
কৰিছোঁ সদা গালই মন।
(কাৰণ) আমি ভাৰত মাতাৰ শিক্ষিত সন্তান।

অঙ্কুৰ

আমি ঘঁাহিছোঁ মূৰত সদা সুগন্ধি তেল,
সাজত সদায়
নানা তৰহৰ
লগাই ফুৰিছোঁ বিলাতী আতঁৰ,
গোন্ধত সকলো
তধা লাগি ৰয়
আন কথাত নিদিওঁ কাণ।
(কিয়নো) আমি ভাৰত মাতাৰ শিক্ষিত সন্তান।

আমি মূৰৰ পৰা নখহাওঁ "হেট"
"তবেকোৰ" ধোঁৱা
"পাইপত" টান,
হোকা চিলিম দলিয়াই দিওঁ,

"কোট-পেণ্ট" পিন্ধি
তহলি ফুৰিছোঁ,
জীৱন সদা                    আনন্দ মন।
**(কাৰণ)** আমি ভাৰত মাতাৰ শিক্ষিত সন্তান।

আমাৰ মুখত সান্দহ, পিঠা, পৰমান,
দোৱা ভজা যত
আতায়েই তিতা
গৰুৰ মঙ্গহ,                    কুকুৰাৰ কনি,
মদৰ   বতল,
বিলাতী পানী,
এয়ে নহলে                    এতিয়া আৰু
আমাৰ নহয় খাদ্য পূৰণ।
(কিয়নো) আমি ভাৰত মাতাৰ শিক্ষিত সন্তান।

অঙ্কুৰ

আমি পাহৰি আহিছোঁ ঘৰুৱা মাত
এৰিছোঁ সকলো
পুৰণি কলিয়া
আচাৰ বিচাৰ ধৰম কৰম,
লইছোঁ নতুন
শুদ্ধ দীক্ষা ধৰ্ম্ম,
পৰৰ দোষ শুধৰা কৰোঁ,
নিজৰ দোষলৈ নকৰোঁ মন।
(কাৰণ) আমি ভাৰত মাতাৰ শিক্ষিত সন্তান।

এই লেতেৰা দেশৰ লেতেৰা মানুহ
চকুৰে নাচাওঁ
মুখেৰে নামাতোঁ

## অঙ্কুৰ

দেখিলে কচিৎ          নাক সিঙতাই
ভাবো মনে মনে
অসভ্য বৰ্ব্বৰ,
দেশৰ চৰ্চ্চালৈ          জাতীয় ভাষালৈ
নকৰো কদাপি মনত ভাবন।
(কিয়নো) আমি ভাৰত মাতাৰ শিক্ষিত সন্তান।

আমাক নেলাগে এই লেতেৰা দেশ,
পুৰণি বুৰঞ্জী
নাসন কৰিম,
বঢ়াম নতুন          সভ্য জ্ঞানী জাতি,
পুৰণি কীৰিতী
লুপুত কৰিম,

অঙ্কুৰ

ন গৌৰৱ জ্বলাম চতুৰে,
দেখাম আমাৰ গৌৰব কিমান।
(কিয়নো) আমি ভাৰত মাতাৰ শিক্ষিত সন্তান।

আমি হে মাথোঁ ভাৰতৰ উন্নত জাতি,
প্ৰাচীন জাতিৰ
বেলি ভাতি দিব,
নুমাব নিজেই সিহঁতৰ নাম,
আমাৰ হিয়াত
একতাৰ বীজ
পছাই তুলিম একতাৰ পুলি
ফুলাই উজ্জ্বলাম হিয়া কানন।
(কাৰণ) আমি ভাৰত মাতাৰ শিক্ষিত সন্তান।

অঙ্কুৰ

যদিও আমাৰ অলেখ লাগিছে ধাৰ,
নোৱাৰোঁ যদিও
ওলাব কেনিও,
নকৰোঁ কদাপি ধাৰলই ভয়,
অলঙ্কাৰ পাতি
বন্ধকত থই
পুৰাম মনৰ নতুন হেঁপাহ
পৰৰ আগত বিচাৰিম মান।
**(কিয়নো)** আমি ভাৰত মাতাৰ শিক্ষিত সন্তান।

আমি নিতে নিতে পাইছোঁ নতুন শিক্ষা,
আমাতকৈ জ্ঞানী
আমাতকৈ মানী

অঙ্কুৰ

কোনো লোক এই জগতত নাই

আমাৰ চলন

খাৱন শোৱন

গমন ভ্ৰমণ ধৰণ কৰণ

লিখা পঢ়া ইহা কন্দা সকলো নতুন।

( এতেকে) আমি ভাৰত মাতাৰ শিক্ষিত সন্তান।

১৯২৩

নগাওঁ (বোর্ডিং)

## (তুমি) কোননো আছিলা মোৰ।

নিতউ সন্ধিয়া তোমাৰ ঘৰত
তোমাক কাষত লই,
মিলন সঙ্গীত দুয়োটিয়ে ধৰোঁ
আপোন পাহৰা হই।

(মই) তাৰ মাজে চেগ বুজি বুজি
তোমাৰ মুখলৈ চাওঁ,
(তুমি) মিচিকি হাঁহিৰে প্ৰতিদান দিয়া
আনন্দে ওপচি যাওঁ।

# অঙ্কুৰ

যেতিয়া তোমাক লগ এৰি আহোঁ।
কৰ্ত্তব্য আজোৰ পাই,
কি মধুৰ সুৰে গীত গাইছিলা
মোৰ কানত পৰাকৈ।

মই যদি আকৌ ঘূৰি ঘূৰি যাওঁ
তুমিও আঁতৰ হোৱা,
তোমাক নেদেখি উলটি আহিলে।
তুৰাৰেদি জুমি চোঁৱা।

কিবা কথা ছলে বাটলৈ ওলোৱা
মুখত অঙ্গুলি তুলি,
ময়ো ঘূৰি ঘূৰি কতবাৰ চাও
পদূলিত দেখোঁ বুলি।

## অঙ্কুৰ

ঘৰ পাই মই অকলে অকলে
তোমাৰ কথাকে ভাবোঁ,
মানস পটত ছবিটি আঁকিলৈ
তাকেই ধিয়াই থাকোঁ।

ৰাতি সপোনতো তোমাকেহে দেখোঁ
শুনো সেই ললি কথা,
অফুত স্বৰেৰ বেদনা জনাওঁ
পাওঁ পাচে কেনে বেথা!

ভাবিছিলোঁ মনে সংসাৰ ক্ষেত্ৰৰ
দুয়ো থাকিম নিৰন্তৰ,
এতিয়াৰ দৰে জীৱন নিয়াও
সুখেৰে সাজিম ঘৰ

কিন্তু সেই আশা নৌ পুৰাওঁতেই
জীৱন কৰিলা ওৰ,
স্মৃতিটিয়ে মাথোঁ কন্দুৱায় মোক
(তুমি) কোননো আছিলা মোৰ ?

১৯২৪
(নগাওঁ)

---

# কুলি।

কুলি অ',
কুঁউ কুঁউ কৰি
কাকনো সাদৰি
কাৰেনো কথাটো পাত,
অবুজা ভাষাৰে,
মনৰ আশাৰে
(নে) বাসন্তী বিয়ালৈ মাত ?

অঙ্কুৰ

কেলেই মাতিছ
কোনেনো বুজিছে
গাইছে কিহৰে গান,
উপজি পুৰাতে
মউসনা মাতে
দিছ বা কিহৰে জান।

( মাথোঁ ) দেশ বিদেশত
একেটি টানত
হৈছে আপুতৰ পুত,
কামবন নাই
তোকেহে চাই
"আহিছে বাসন্তী দূত।"

## অঙ্কুৰ

ময়ো ভাল পাওঁ
ৰই ৰই চাওঁ
তোৰ ঐ কেনেনো লীলা,
গছৰ ডাললৈ
মাতৰ উৱালৈ
পাহৰো সকলো খেলা।

মোৰ মনটোতে
তোৰেই লগতে
দেশ বিদেশলৈ ঘূৰি,
সংসাৰী জীৱন
কৰি সমাপন
পাম গৈ আনন্দ পুৰী।

# অংকুৰ

তোৰ সঙ্গী হই
লগে লগে গই
তোৰে ৰেহৰূপ চাম,
মউমাত মাতি
তোৰে কথাপাতি
আনন্দে ওপঙি যাম।

তই হলে মোৰ
এই ভাব বোৰ
উপলুঙা যেন পাৱ,
খিকিন্দালী পাতি
সেই মাত মাতি
ভুৰুং কৰে উৰি যাৱ।

## অঙ্কুৰ

লগ নিদি তই
এৰি যাব গই
চকুৰ আঁতৰ হই,
উপযাচি আহোঁ
লাজ মান এৰি
ভালপাওঁ দেখিহে মই।

তই জানো আৰু
নাহিবিনে বাৰু
নেপামনে কোনো কালে,
সংসাৰ যেতিয়া
নিশ্চয় তেতিয়া
আহিবিতো এই ফালে।

অঙ্কুৰ

লুকা ভুকি কৰি
যিমানে আঁতৰি
যতেই থাকৰা তই,
যেতিয়াই পাম
তধা লাগি চাম
( আক' ) ভাল পাওঁ দেখিছে মই।

---

## সখি লৈ।

সখি !

কি বুলিনো আজি শুনাম তোমাক
দুখৰ কাহিনী মোৰ,
শোকৰ ধুমুহা ঘনাই বলিছে
নপৰে ইয়াৰ ওৰ।

## অঙ্কুৰ

বহুদিন ধৰি সাঁচি থোৱা কথা
অন্তৰে অন্তৰে ৰ'ল,
সুখ সৰোবৰ আশাৰ কুসুম
এনেয়ে সুকাই গ'ল।

নোৱাৰিম আৰু এই জনমত
পুৰাব মনৰ কাম,
হৃদয় বুৰঞ্জী প্ৰতি পাতে পাতে
গঁথাৱল তব নাম।

তোমাৰ নামতে প্ৰাণ বিসৰ্জ্জিলোঁ।
নহওঁ স্বতন্ত্ৰ আৰু,
কোন সেই জন বিধান কৰোঁতা
(তেওঁৰে) কামনা পূৰক বাৰু!

## অঙ্কুৰ

উস্ !

কোন সতেৰে এৰিম তোমাক
হিয়া মোৰ ফাটি যায়,
নাজানি নুশুনি কৰিছিলোঁ যদি
ক্ষমিবা সকলো দায় ।

যাওঁ আৰু মই নকৰোঁ পলম
ৰাখিবা মনত সেই,
বিদায় বাণীৰে চকুৰ পানীৰে
মাগিলোঁ মেলানি দেই !

নগাওঁ (বোর্ডিং),
১৯২৪

---

অন্ত ।